# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 06-02-2025
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::::**

১। চৰকাৰ সবকা সাথ সবকা বিকাশ নীতিৰে অগ্ৰসৰ - ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ উত্তৰত প্ৰধানমন্ত্ৰীৰ মন্তব্য।

২। ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছাম শীৰ্ষ সন্মিলনৰ প্ৰস্তুতিৰ বুজ ল'বলৈ মুখ্যমন্ত্ৰীৰ বৈঠক।

৩। দিহিং পাটকাইৰ কয়লা খনন সন্দৰ্ভত শপতনামা দিব নোৱাৰিলে ১৪ ফেব্ৰুৱাৰীত সোঁশৰীৰে হাজিৰ হ'বলৈ উচ্চ ন্যায়ালয়ৰ ৰাজ্য প্ৰশাসনক নিৰ্দেশ।

৪। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশন ম'হবন্ধাত আৰম্ভ।

আৰু

৫। নাগপুৰৰ প্ৰথম এদিনীয়াত ভাৰতক জয়ৰ বাবে ইংলেণ্ডৰ ২৪৯ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে বৰ্তমানৰ চৰকাৰ সবকা সাথ সবকা বিকাশ নীতিৰে অগ্ৰসৰ হৈছে আৰু সাধাৰণ শ্ৰেণীৰ আৰ্থিকভাৱে দুৰ্বল লোকসকলৰ বাবে ১০ শতাংশ সংৰক্ষণৰ সুবিধা প্ৰদান কৰিছে। ৰাজ্যসভাত আজি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ উত্তৰ দি প্ৰধানমন্ত্ৰীয়ে এই মন্তব্য কৰে। কেন্দ্ৰীয় চৰকাৰে দৰিদ্ৰ আৰু উপান্ত শ্ৰেণীৰ লোকসকলৰ উন্নয়নক অগ্ৰাধিকাৰ দিছে বুলি উল্লেখ কৰি চলিত বিত্তীয় বৰ্ষৰ বাজেটত চামৰা উদ্যোগ, জোতাৰ ক্ষুদ্ৰ উদ্যোগকে ধৰি বিভিন্ন ক্ষুদ্ৰ খণ্ডক আগবঢ়াই নিয়াত গুৰুত্ব আৰোপ কৰিছে বুলি তেওঁ মন্তব্য কৰে। দেশত দিব্যাংগ লোকসকলে পূৰ্বে লাভ নকৰা তেওঁলোকৰ প্ৰাপ্য সুবিধা সম্প্ৰতি লাভ কৰিছে বুলিও শ্ৰীমোদীয়ে নিজৰ ভাষণত উল্লেখ কৰে। ২০১৪ চনৰ পাছৰে পৰা ভাৰতে প্ৰশাসনৰ এটা বিকল্প আৰ্হি লাভ কৰিছে আৰু এই আৰ্হিয়ে তোষামোদৰ পৰিৱৰ্তে জনসাধাৰণৰ সন্তুষ্টিক প্ৰতিফলিত কৰে বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। অনুসূচিত জাতি আৰু জনজাতিৰ লোকসকলৰ কল্যাণৰ লক্ষ্যৰে তেওঁলোকৰ বাবে থকা আইনসমূহ শক্তিশালী কৰাৰ লগতে বঞ্চিত আৰু দলিতসকলৰ অধিকাৰক সুৰক্ষা প্ৰদান কৰিবলৈ চৰকাৰ দায়বদ্ধ বুলিও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতে দেশৰ সম্পদসমূহৰ পৰ্যাপ্ত আৰু উচিত ব্যৱহাৰ নিশ্চিত কৰিবলৈ লক্ষ্য লৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণ অনুপ্ৰেৰণাদায়ক আৰু প্ৰভাৱশালী বুলি নিজৰ ভাষণত উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতিগৰাকীৰ বক্তব্যই দেশৰ ভৱিষ্যত গঢ় দিয়াৰ ক্ষেত্ৰত পথ প্ৰদৰ্শকৰ ভূমিকা ল'ব বুলি মন্তব্য কৰে।

০০০০

ৰাজ্যখনৰ বিনিয়োগ আন্তঃগাথনি শক্তিশালী কৰাৰ লক্ষ্যৰে ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আচাম শীৰ্ষ সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ প্ৰস্তুতি বুজ লোৱাৰ উদ্দেশ্যে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিশপুৰত এখন বৈঠক অনুষ্ঠিত হয়। সন্মিলনৰ অংশ হিচাপে ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত হ'বলগীয়া ঝুমুইৰ বিনন্দিনী শীৰ্ষক ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠানটিৰ প্ৰস্তুতিও

আজিৰ বৈঠকত পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে এই দুয়োটা অনুষ্ঠান সুকলমে সম্পন্ন কৰাৰ বাবে সকলো দিশ চালি জাৰি চোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বৈঠকত ঝুমুৰ নৃত্যানুষ্ঠান আয়োজনৰ  বাবে মূল সমিতি, আতিথ্য সমিতি, চিকিৎসা সমিতিকে ধৰি প্ৰস্তুতিৰ দায়িত্বত থকা সমিতিসমূহৰ কাম-কাজৰ অগ্ৰগতি পৰ্যালোচনা কৰা হয়। তদুপৰি যান-বাহন ব্যৱস্থাপনাৰ বাবে আৰক্ষীৰ পৰিকল্পনা, শিল্পীসকলক ৰাজ্যৰ বিভিন্ন স্থানৰ পৰা গুৱাহাটীলৈ সুকলমে অনা নিয়া আৰু তেওঁলোকৰ থকা খোৱাৰ ব্যৱস্থা সন্দৰ্ভতো মুখ্যমন্ত্ৰীয়ে বুজ লয়। এই অনুষ্ঠান যাতে বিভিন্ন জিলাৰ চাহ বাগিচাসমূহত পোনপটীয়াকৈ সম্প্ৰচাৰ কৰিব পৰা যায় তাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও জিলা আয়ুক্তসকলক কোৱা হৈছে। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে এই বৃহৎ নৃত্যানুষ্ঠানৰ সময়ত খোৱাপানীৰ যোগান আৰু অনাময় ব্যৱস্থা সুনিশ্চিত কৰিবলৈও নিৰ্দেশ দিছে। ড০ শৰ্মাই এডভাণ্টেজ আচামৰ সন্মিলনৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশৰ অভ্যাগতসকলক যাতে সুন্দৰভাৱে আপ্যায়ন কৰা যায় সেই কথা নিশ্চিত কৰিবলৈও পৰামৰ্শ দিয়ে। তদুপৰি সন্মিলনস্থলীত অসমৰ চাহ আৰু থলুৱা বস্ত্ৰ শিল্প সুন্দৰভাৱে প্ৰদৰ্শন কৰিবলৈও মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ দিছে।

বৈঠকত অশোক সিংহল, পিয়ুষ হাজৰিকাকে ধৰি কেইবাগৰাকীও  মন্ত্ৰী উপস্থিত থাকে। উল্লেখযোগ্য যে এই অনুষ্ঠানত অংশ লোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে ২৪ ফেব্ৰুৱাৰীত অসমত উপস্থিত হ'ব। তেওঁ ঝুমুৰ নৃত্য অনুষ্ঠানটি উপভোগ কৰাৰ লগতে ২৫ ফেব্ৰুৱাৰীত এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণ আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত প্ৰধানমন্ত্ৰীক কৰা সাক্ষাৎৰ পাছত এই বিষয়ে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত ভূটানৰ প্ৰধানমন্ত্ৰীগৰাকীও উপস্থিত থাকিব। পাঁচখন সহযোগী দেশে অংশ ল'বলগীয়া এই সন্মিলনত ৫ শতাধিক বিদেশী উদ্যোগী আৰু বিনিয়োগকাৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি কাছাৰ জিলাৰ কেইবাখনো বিদ্যালয়ৰ গুণোৎসৱৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। শিলচৰত তেওঁ ৰাধা মাধৱ মহাবিদ্যালয় পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰে। ডঃ পেগুক মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলে নিজে প্ৰস্তুত কৰা থলুৱা অসমীয়া আৰু মণিপুৰী গামোচাৰে সম্বৰ্ধনা জনায়। শিক্ষামন্ত্ৰীগৰাকীয়ে শিক্ষাৰ্থীসকলৰ দক্ষতাৰ শলাগ লয়। তেওঁ লগতে নিয়োগ সৃষ্টিত সহায়ক হোৱাকৈ শিক্ষাৰ সমান্তৰালভাৱে দক্ষতাৰ বিকাশত গুৰুত্ব আৰোপ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তেওঁ কয়-

বাইট- ডঃ ৰনোজ পেগু

ইয়াৰ পূৰ্বে তেওঁ শিলচৰ  পলিটেক্‌নিক প্ৰতিষ্ঠান পৰিদৰ্শন কৰি প্ৰতিষ্ঠানখনৰ আন্তঃগাঁথনি আৰু শৈক্ষিক দিশৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে প্ৰতিষ্ঠানখনত প্ৰায় ১০ কোটি টকা ব্যয়েৰে নিৰ্মাণৰত উৎকৃষ্টতা কেন্দ্ৰটোও পৰিদৰ্শন কৰে। ড° পেগুৱে আজি কাছাৰ জিলাৰ শালচাপ্ৰা খণ্ডৰ অন্তৰ্গত অতি ভিতৰুৱা ৰোজকান্দি চাহবাগিচা পৰিদৰ্শন কৰি চাহবাগানৰ ইদ্ৰিছ আলী আনছাৰি মধ্য ইংৰাজী বিদ্যালয়ৰ গুণোৎসৱৰ কাৰ্যসূচীত ভাগ লয়। শিক্ষামন্ত্ৰীগৰাকীয়ে অঞ্চলটোত এখনো উচ্চ মাধ্যমিক বিদ্যালয় নথকাৰ বাবে অঞ্চলবাসীয়ে সন্মুখীন হোৱা সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি এমাহৰ ভিতৰত মধ্য ইংৰাজী বিদ্যালয়খন উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হ'ব বুলি জনসাধাৰণক আশ্বাস দিয়ে। পুৱাৰ ভাগত তেওঁ শিলচৰৰ নৰচিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে প্ৰাৰ্থনা সভাত অংশ লয়। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে এই বিদ্যালয়খনত নতুন ভৱন নিৰ্মাণৰ বাবে ইতিমধ্যে ৭ কোটি ৫০ লাখ টকাৰ অনুমোদন জনাইছে। ডাঃ পেগুৱে আজি এই নতুন ভৱন নিৰ্মাণ হ'বলগীয়া স্থানৰ সবিশেষ বুজ লয়। ইয়াৰ পাছত তেওঁ নৰকুমাৰ মধ্য ইংৰাজী

বিদ্যালয়, মনমোহন মজুমদাৰ বালিকা বিদ্যা নিকেতনৰ গুণোৎসৱৰ কাৰ্যসূচীত অংশ লয়। শিক্ষামন্ত্ৰীগৰাকীক এই ভ্ৰমণৰ সময়ছোৱাত শিলচৰৰ বিধায়ক দীপায়ন চক্ৰৱৰ্তী, উধাৰবন্দৰ বিধায়ক মিহিৰকান্তি সোম আৰু উত্তৰ শ্ৰীভূমিৰ বিধায়ক কমলাক্ষ দে পুৰকায়স্থই সংগ দিয়ে।

০০০০

দিহিং পাটকাইৰ প্ৰস্তাৱিত চালেকী সংৰক্ষিত বনাঞ্চলত কয়লা খনন সংক্ৰান্তীয় গোচৰ সন্দৰ্ভত শপতনামা দাখিল কৰিব নোৱাৰিলে অহা ১৪ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক আদালতত হাজিৰ হ'বলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছে। আজি ন্যায়াধীশ  কল্যান ৰায় চুৰানা আৰু মালশ্ৰী নন্দিৰ খণ্ড বিচাৰপীঠে এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি এই নিৰ্দেশ জাৰি কৰে। উল্লেখযোগ্য যে এই গোচৰ সংক্ৰান্তত আদালতে পূৰ্বে নিৰ্দেশ দিয়া সত্বেও চৰকাৰে শপতনামা দাখিল কৰা নাছিল। এনে পৰিস্থিতিত আজি আবেদনখনৰ শুনানিলৈ উচ্চ ন্যায়ালয়ে ১৪ ফেব্ৰুৱাৰীত তেওঁলোকক আদালতত সোশৰীৰে হাজিৰ হ'বলৈ নিৰ্দেশ দিছে। অৱশ্যে ১৩ ফেব্ৰুৱাৰীৰ ভিতৰত শপতনামা দাখিল  কৰিবলৈ সমৰ্থ হ'লে বিষয়া দুগৰাকী আদালতত হাজিৰ নহলেও হ'ব বুলি ন্যায়ালয়ে উল্লেখ কৰিছে।

০০০০

যোৰহাট জিলাৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত শ্ৰীমন্ত শংকৰদেৰ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি প্ৰথমদিনা পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপন কাৰ্যসূচীৰে অধিৱেশনৰ শুভাৰম্ভ কৰা হয়। যোৰহাটৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে আজি প্ৰতিনিধি শিবিৰৰ তোৰণ উন্মোচন কৰে। আজি নামঘৰৰ তোৰণ উন্মোচন, মূল সমিতিৰ কাৰ্যনিৰ্বাহক আৰু গ্ৰন্থমেলা মুকলি কৰা হয়। দিনৰ ভাগত মূল কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। পৰহিলৈ পুৱা সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৰেন্দ্ৰ নাথ ডেকাই পতাকা উত্তোলন কৰিব। এই পতাকা উত্তোলনস্থলীত কাছ আকৃতিৰ বেদী নিৰ্মাণ কৰা হৈছে। বেদীটোৰ চৌপাশত প্ৰতীকিভাৱে ৫৪ খন পতাকা উত্তোলন কৰা হ'ব। তদুপৰি ৯৪ সংখ্যক অধিৱেশনৰ সৈতে সংগতি ৰাখি ৯৪টা খোল আৰু ৯৪ যোৰ তাল লৈ গায়ন-বায়নসকলে মাংগলিক ধ্বনি কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাগৰত শোভাযাত্ৰা আৰু ধৰ্মালোচনা সভাৰ লগতে সত্ৰীয়া সংস্কৃতিৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।পৰহিলৈ হ'বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলেও অংশ লৈছে।

০০০০

কাইলৈৰ পৰা গুৱাহাটীৰ জ্যোতি চিত্ৰবনত গুৱাহাটী এছিয়ান ফিল্ম ফেষ্টিভেল অনুষ্ঠিত হ'ব। তিনিদিনীয়া এই চলচ্চিত্ৰ মহোৎসৱত ইৰান, নেপাল, উজবেকিস্তান, কাজাখস্তান, বাংলাদেশ, হংকং, আজাৰবাইজান, ফিলিপিন্‌ছ, শ্ৰীলংকা আৰু তুৰস্কৰ কুৰিখন নিৰ্বাচিত ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ লগতে মহোৎসৱৰ প্ৰতিযোগিতামূলক শাখাত উত্তৰ-পূৰ্বাঞ্চলৰ ভালেকেইখন ছবি প্ৰদৰ্শিত হ'ব। কাইলৈ পুৱা ৯ বজাত ফিলিপিন্‌ছৰ পৰিচালক কাৰ্ল' অবিস্প'ৰ ছবি – এ লেব ষ্টৰীৰ প্ৰদৰ্শনেৰে প্ৰতিযোগিতাৰ শুভাৰম্ভ হ'ব। জ্যোতি চিত্ৰবনৰ  ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহৰ লগতে একে পৰিসৰতে থকা আনটো ক্ষুদ্ৰ  প্ৰেক্ষাগৃহতো এই মহোৎসৱৰ ছবিসমূহ প্ৰদৰ্শিত হ'ব। ৯ ফেব্ৰুৱাৰীৰ সন্ধিয়া চাৰে ৫ বজাত ইম্‌তিয়াজ আলী, ৰীমা দাস আৰু কবিৰ খান পৰিচালিত মাই মেলবৰ্ণ ছবিৰ প্ৰদৰ্শনীৰে এই মহোৎসৱৰ সামৰণি পৰিব। মহোৎসৱৰ সৈতে সংগতি ৰাখি তিনিওদিনেই দেশৰ কেইবাগৰাকীও বিশিষ্ট চলচ্চিত্ৰ পৰিচালক আৰু সমালোচকৰ অংশগ্ৰহণেৰে

মুঠ ৭ খন মনোজ্ঞ আলোচনাচক্র অনুষ্ঠিত হ'ব। ৮ ফেব্ৰুৱাৰীত নিকন কম্পেনীৰ কাৰিকৰী বিশেষজ্ঞ সৌমজিৎ মৈত্ৰই নিকন মিৰৰলেছ কেমেৰাৰ জৰিয়তে ডিজিটেল ছবি নিৰ্মাণ সম্পৰ্কত আলোকপাত কৰিব। ৯ ফেব্ৰুৱাৰীত প্ৰসিদ্ধ চলচ্চিত্ৰ পৰিচালক অ'নিৰ সৈতে অন্তৰংগ আলাপ আৰু বিয়লি শ্ৰীলংকাৰ বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা প্ৰসন্ন বিথানাগেৰ সৈতে দৰ্শকৰ আলাপৰ অনুষ্ঠান এই মহোৎসৱৰ অন্যতম আকৰ্ষণ হ'ব বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০

আয়ৰ সৈতে সামঞ্জস্যহীন সম্পত্তি অৰ্জনৰ গোচৰত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে গ্ৰেপ্তাৰ কৰা আবকাৰী বিভাগৰ সচিব ইন্দেশ্বৰ কলিতাক আজি অসম চৰকাৰে চাকৰিৰ পৰা নিলম্বন কৰিছে। উল্লেখযোগ্য যে ঘোষিত আয়তকৈ ৯৫ দশমিক ৫ - ৫ শতাংশ অধিক সম্পত্তি আহৰণ কৰাৰ অভিযোগৰ তদন্তৰ পাছত মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযুক্ত ইন্দেশ্বৰ কলিতাক যোৱা ২৯ জানুৱাৰীত গ্ৰেপ্তাৰ কৰিছিল। তেওঁৰ জামিন আবেদন গুৱাহাটীৰ বিশেষ আদালতে  কালি নাকচ কৰিছিল।

০০০০

এডভাণ্টেজ আচামলৈ কেইটামান দিন বাকী থকা অৱস্থাত আজি জাপানৰ এটা প্ৰতিনিধি দলে মৰিগাওঁ জিলাৰ জাগীৰোডত নিৰ্মীয়মান টাটা চেমিকনডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰে। ভাৰতত থকা জাপানৰ ৰাষ্ট্ৰদূত কেইচি অনোৰ নেতৃত্বৰ এই দলটোৰ প্ৰতিনিধি হিচাপে দেশখনৰ কেইবাটাও প্ৰতিষ্ঠানৰ শীৰ্ষ বিষয়াই অংশগ্ৰহণ কৰিছে। এই প্ৰকল্পৰ পৰিদৰ্শনে ৰাজ্যখনলৈ বৃহৎ বিনিয়োগৰ সম্ভাৱনা কঢ়িয়াই আনিব বুলি আশা কৰা হৈছে। জাপানৰ প্ৰতিনিধি দলটোৱে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকো সাক্ষাৎ কৰিব বুলি জানিব পৰা গৈছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত শনিবাৰে নিশা ৮ বাজি ২ মিনিটত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীৰ মানসিক চাপ আৰু ইয়াৰ সমাধান সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত অসম জাতীয় বিদ্যালয়ৰ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু মনোৰোগ বিশেষজ্ঞ ডাঃ মৈথিলী হাজৰিকাই অংশগ্ৰহণ কৰিব। এই আলোচনাৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে। অনুষ্ঠান চলি থকা সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটোত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

০০০০

বজালী জিলাৰ সৰুপেটাত কাইলৈৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় ৰাষ্ট্ৰীয় নাট সমাৰোহৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই নাট সমাৰোহত অসমীয়া, হিন্দী আৰু বাংলা ভাষাৰ ৫ খনকৈ নাটক মঞ্চস্থ হ'ব। সমাৰোহত নাট্যকাৰ হিল্লোল কুমাৰ পাঠকৰ নাট 'শংকৰ গুৰু আমাৰে', মৃণ্ময় ভূঞাৰ 'দ্ৰোণাচাৰ্য শ্ৰী গুৰুৱে নমঃ', অৰ্ঘ দে'ৰ বাংলা ভাষাত ৰচিত নাট 'যত্নে ৰেখো', হবিব তনবিৰৰ 'চৰণ দাস চোৰ' আৰু সুধাংশু ফিৰদোছৰ হিন্দী ভাষাত ৰচিত 'কথা নাট' মঞ্চস্থ কৰা হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

০০০০

ধেমাজিত কাইলৈৰ পৰা সোণোৱাল কছাৰী সাহিত্য সভাৰ অধিৱেশন তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। ২০১৭ চনত ডিব্ৰুগড়ত গঠন হোৱা সোণোৱাল কছাৰী সাহিত্য সভাই জনগোষ্ঠীটোৰ সমাজ, ভাষা-সংস্কৃতিকে ধৰি বিভিন্ন দিশত উত্তৰণৰ বাবে প্ৰয়াস কৰি আহিছে। অধিৱেশনৰ অংশ হিচাপে সোণোৱাল কছাৰী সকলৰ পৰম্পৰাগত গৃহ উদ্বোধন, গ্ৰন্থ উন্মোচন, প্ৰদৰ্শনী আৰু খাদ্য মেলা উদ্বোধন, সাহিত্য প্ৰতিযোগিতা, আলোচনাচক্ৰকে ধৰি কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

০০০০

তিনিচুকীয়া জিলাত অসামৰিক প্ৰতিৰক্ষা বিভাগৰ স্বেচ্ছাসেৱকসকলৰ ২২ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ আজি সামৰণিৰ দিনা তিনিচুকীয়াৰ বৰগুৰিত থকা অসামৰিক প্ৰতিৰক্ষা বিভাগৰ কাৰ্যালয়ৰ পৰা জিলা পৰিষদৰ কাৰ্যালয়লৈকে চাফাই অভিযান চলোৱা হয়। আজি ৩৪ গৰাকী প্ৰশিক্ষাৰ্থীক প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি জিলাখনৰ অতিৰিক্ত জিলা আয়ুক্ত গৰাকীয়ে স্বেচ্ছাসেৱকসকলক প্ৰশিক্ষণ প্ৰদানৰ বাবে অসামৰিক প্ৰতিৰক্ষা বিভাগে গ্ৰহণ কৰা প্ৰচেষ্টাৰ শলাগ লয়।

০০০০

তিনিচুকীয়া জিলাৰ হাপজান স্বাস্থ্যকেন্দ্ৰত শেহতীয়াকৈ গোধা ৰোগৰ বীজানু ধৰা পৰাৰ পৰিপ্ৰেক্ষিতত অহা ১০ ফেব্ৰুৱাৰীৰ পৰা ১৯ ফেব্ৰুৱাৰীলৈ এই স্বাস্থ্য খণ্ডৰ অধীনৰ প্ৰতিজন লোককে গোধা ৰোগৰ ঔষধ সেৱনৰ সামূহিক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। হাপজান স্বাস্থ্যকেন্দ্ৰৰ উপৰি মাকুম আৰু তিনিচুকীয়া পৌৰসভা অঞ্চলৰ প্ৰতিটো পৰিয়ালক এই কাৰ্যসূচীৰ অধীনত সামৰি লোৱা হ'ব। অঞ্চলটোৰ ৫ লাখ ১৫ হাজাৰ লোকক ডাইথাইলকাৰ্বামাজাইন আৰু এলবেণ্ডাজল টেবলেট একেলগে প্ৰদান কৰা হ'ব। আশাকৰ্মীসকলে ঘৰে ঘৰে গৈ ঔষধ প্ৰদান কৰাৰ উপৰি কাৰ্যালয়ত ৰে'লৱে ষ্টেচন কাৰখানা আদিত অস্থায়ী কেন্দ্ৰ স্থাপন কৰি ঔষধ বিতৰণ কৰিব। জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালকে এই ঔষধৰ বিশেষ কোনো পাৰ্শ্বক্ৰিয়া নাই বুলি উল্লেখ কৰি সকলো লোককে এই ঔষধ সেৱন কৰি গোধা ৰোগৰ সম্ভাৱনাৰ পৰা মুক্ত হ'বলৈ আহ্বান জনাইছে।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ ৩ খনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ আজি নাগপুৰৰ বিধৰ্ভ ক্ৰিকেট এছোছিয়েছন ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন খেলত আজি ইংলেণ্ডে ভাৰতক জয়ৰ বাবে ২৪৯ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ইংলেণ্ডে প্ৰথমে বেট ধৰি ৪৭ অভাৰ আৰু ৪ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৮ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে এই বাতৰি যুগুতোৱাৰ পৰলৈ ১৩অভাৰত ২ টা উইকেট হেৰুৱাই ৯১ ৰাণ স্ংগ্ৰহ কৰে।

০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আজি দশম দিনা অসমৰ ৪ গৰাকী বক্সাৰে প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। অসমৰ তাৰকা বক্সাৰ শিৱ থাপাই চেমিফাইনেলত মহাৰাষ্ট্ৰৰ প্ৰতিদ্বন্দিক ৫-০ ৰ ব্যৱধানত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে। একেদৰে অভিনৱ শইকীয়াই দিল্লীৰ প্ৰতিদ্বন্দিক ৫-০ ৰ ব্যৱধানত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে। তাৰকা বক্সাৰ লাভলীনা বৰগোহাই আৰু অংকুশিতা বড়ো উভয়ে নাগপুৰৰ প্ৰতিপক্ষক ৫-০ কৈ ব্যৱধানত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০

গ্ৰামাঞ্চলৰ প্ৰতিভাৱান খেলুৱৈসকলক এখন উপযুক্ত মঞ্চ দিয়াৰ বাবে ৰাজ্য চৰকাৰে আয়োজন কৰা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণৰ খেল বিভিন্ন জিলাত চলি আছে। বাক্সা জিলাত আজি এই কাৰ্যসূচীৰ অধীনত চূড়ান্ত খেলসমূহ অনুষ্ঠিত হয়। জিলাখনৰ মানাহ আৰু বাক্সা বিধানসভা সমষ্টিৰ খেলুৱৈসকলৰ মাজত প্ৰথমে ৬ টা শিতানত খেলসমসূহ খেলোৱাৰ পাছত চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত হয়।

০০০০

সমাপ্ত